# অধ্যায় - ৯

# জৈৱ অণু

---

**তৃতীয় গোট**
**অনুশীলনীৰ প্ৰশ্নোত্তৰ :**

প্ৰশ্ন ১: বৃহদানু বুলিলে কি বুজা ? সেইবোৰৰ কিছুমান উদাহৰণ দিয়া ।

উত্তৰ : অসংখ্য একক অনুৰে গঠিত জটিল যৌগিক বৃহদানু বোলে । যেনে — বহুশৰ্কৰা , প্ৰ'টিন , স্নেহদ্ৰব্য , নিউক্লিক এছিড ইত্যাদি ।

প্ৰশ্ন ২: গ্লাইক'ছাইডিক , পেন্টাইড় আৰু ফছফ'ডায়েষ্টৰ গঠন চিত্ৰ আঁকা ।

উত্তৰ : গ্লাইক'ছাইডিক :




পেন্টাইড় :




ফছফ'ডায়েষ্ট :




## প্ৰশ্ন ৩: প্ৰ'টিনৰ তৃতীয়ক গঠন বুলিলে কি বুজা ?

উত্তৰ : প্ৰ'টিনৰ অনুবোৰ দেখাত একোডাল ৰেখাৰ দৰে যেন লাগে । ইয়াৰ বাওঁমূৰটো প্ৰথম এমিন' এছিডটোৰ দ্বাৰা আৰু সোমূৰটো শেষৰ এমিন' এছিডটোৰ দ্বাৰা বুজোৱা হয় । প্ৰথমটো এমিন' এছিডক N - প্ৰান্তিক এমিন' এছিড আৰু শেষৰটো এমিন' এছিডক C - প্ৰান্তিক এমিন' এছিড বোলে । প্ৰ'টিনৰ সূএডাল এডাল বিস্তাৰিত জঠৰ দণ্ডৰ আকৃতিত সকলো সময়তে নেথাকে । সূএডাল ভাঁজখাই এটা কুণ্ডলীৰ আকৃতিত থাকে । সূএডালৰ বাকীঅংশ ভাঁজখাই আন ধৰণৰ একোট গঠনৰ সৃষ্টি কৰে , যাক গৌণ গঠন বোলে । এই গঠনৰ সৈতে প্ৰ'টিনৰ দীঘল শিকলিডালো ইটোৰ ওপৰত সিটোকৈ ভাঁজখাই এটা উলৰ ফোপোলা বলৰ আকৃতি ধাৰণ কৰে , যাক কোৱা হয় প্ৰ'টিনৰ তৃতীয়ক গঠন ।

প্ৰশ্ন ৪: ৰোগ নাশকাৰক দ্ৰব্য হিচাপে ব্যৱহাৰ কৰা প্ৰ'টিনসমূহ বাছি উলিয়াই সেইবোৰৰ এখন তালিকা প্ৰস্তুত কৰা ।

উত্তৰ :

| **প্ৰ'টিন** | **কাৰ্য** |
|---|---|
| (১) ইমচুলিন | শৰীৰত হৰম'ন সাম্য অৱস্থাত ৰাখে । |
| (২) এন্টিবডি | বীজাণুনাশক হিচাপে শৰীৰত থাকে । |
| (৩) GLUT - 4 | কোষবোৰৰ ভিতৰলৈ গ্লক'জৰ পৰিবহন সক্ষম কৰে । |

প্ৰশ্ন ৫: কম ভৰযুক্ত আনবিক ওজনবিশিষ্ট দহোটা গুৰুত্বপূৰ্ণ জৈৱ অণু বাছি লৈ সিহঁতৰ গঠন চিত্ৰ আঁকা ।

উত্তৰ :



প্ৰশ্ন ৬: ট্ৰাইগ্লিচাৰাইডৰ উপাদানসমূহৰ বিৱৰণ দিয়া ।

উত্তৰ : গ্লিচাৰলৰ এটা অণুৰ সৈতে স্নেহ এছিডৰ তিনিটা অণু যোজিত হৈ ট্ৰাইগ্লিচাৰাইড উৎপন্ন হয় ।ট্ৰাইগ্লিচাৰাইডৰ জলবিয়োজনত স্নেহ এছিডৰ তিনিটা অণু আৰু গ্লিচাৰলৰ এটা অণু উৎপন্ন হয় ।



( এক অণু গ্লিচাৰলৰ )    ( তিনি অণু স্নেহ এছিড )   ( এক অণু ট্ৰাইগ্লিচাৰাইড )সাধাৰণ উষ্চতাত কঠিন অৱস্থাত থকা ট্ৰাইগ্লিচাৰাইডক চৰ্বি বোলে । প্ৰাণীজাত ট্ৰাইগ্লিচাৰাইডত সংপৃক্ত স্নেহ এছিড অধিক পৰিমাণ থাকে । সেয়ে সাধাৰণ উষ্চতাত সিহঁত কঠিন বা অৰ্ধকঠিন অৱস্থাত থাকে । পামিটিক এছিড , ষ্টিয়েৰিক এছিড ইত্যাদি সংপৃক্ত স্নেহ এছিডৰ উদাহৰণ , । অধিকাংশ উদ্ভদজাত ট্ৰাইগ্লিচাৰাইডত অ'লেইক এছিড , লিন'লিক এছিড আদি অসংপৃক্ত স্নেহ এছিড থাকে ।

প্ৰশ্ন ৭: প্ৰ'টিন সম্পৰ্কে থকা তোমাৰ ধাৰণাৰ পৰা গাখীৰ দৈ লৈ অথবা সৰতোলা গাখীৰৰ দৈ লৈ পৰিণত  হওঁতে কি হয় বৰ্ণনা দিয়া ।

উত্তৰ : গাখীৰত থকা কেজিন নামৰ প্ৰ'টিন বিধক লেক্ট'বেচিলাচ নামৰ বেক্টেৰিয়াবিধে ক্ৰিয়া কৰি দৈ লৈ পৰিণত কৰে ।

প্ৰশ্ন ৮: এলানিন' নামৰ এমিন' এছিড বিধৰ গঠন চিত্ৰ অকাঁ ?

উত্তৰ :



প্ৰশ্ন ৯: গঠ আঠা কিহৰ দ্বাৰা গঠিত ? ফেভিকল এইবোৰতকৈ ভিন্ন প্ৰকাৰৰ নে ?

উওৰ : গঠ আঠা হেক্স'জ আৰু পেন্ট'জৰে গঠিত ।ফেভিকল সংশ্লেষিত আঠা ।